(ছ) ভৰীগান সাধাৰণতে অসমৰ কোন অঞ্চলত প্ৰচলিত ?

(জ) 'আপী ওজা' বুলিলে কি বুজা ?

(ঝ) মাৰৈ পূজাৰ মূল গায়কজনক কি বোলে ?

(ঞ) 'মঙ্গলেখা' প্ৰহসন কোনে ৰচনা কৰিছিল ?

২। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৫=১০

(ক) 'ওজাপালি অনুষ্ঠান' কেইপ্ৰকাৰৰ আৰু কি কি ?

(খ) লোকনাট্যৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(গ) অসমৰ বাহিৰেও ভাৰতবৰ্ষৰ কোন কোন প্ৰদেশত পুতলা নাচৰ প্ৰচলন আছে ?

(ঘ) দুখন অসমীয়া ভ্ৰাম্যমান নাটকৰ নাম লিখা।

(ঙ) অসমত পুতলা নাচৰ পুতলাসমূহ কিদৰে নিৰ্মাণ কৰা হয় ?

৩। তলত দিয়া যি কোনো চাৰিটা বিষয় সম্পৰ্কে চমুকৈ লিখা : ৫×৪=২০

(ক) কুশান গান

(খ) একাংকিকা নাট

(গ) যাত্ৰা





(ঘ) ঢুলীয়া নাচ

(ঙ) পুতলা নাচ

(চ) বাটৰ নাট

(ছ) মূকাভিনয়

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লোকনাট্য বুলিলে কি বুজা ? অসমৰ পৰম্পৰাগত লোকনাট্য সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) প্ৰাক্-স্বাধীনতাকালৰ অসমৰ প্ৰচেনিয়াম মঞ্চৰ ইতিহাসৰ এটি সমীক্ষা প্ৰস্তুত কৰা।

(গ) নাটকত সংগীতৰ প্ৰয়োগ কিয় কৰা হয় ? আধুনিক অসমীয়া নাটকত আবহসংগীতৰ প্ৰয়োগ সম্পৰ্কে তোমাৰ অভিমত দাঙি ধৰা।

(ঘ) অনাতাঁৰ নাট বুলিলে কি বুজা ? অনাতাঁৰ নাট আৰু সাধাৰণ নাটৰ পৰিবেশনৰ ক্ষেত্ৰত কাৰিকৰী দিশত কি কি প্ৰভেদ পৰিলক্ষিত হয়, বুজাই লিখা।

(ঙ) ভ্ৰাম্যমান নাট্যদল বুলিলে কি বুজা ? অসমীয়া ভ্ৰাম্যমান নাট্যদলৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(চ) লোকনাট্যৰ আংগিক, বাচিক আৰু আহাৰ্য সম্পৰ্কে এটি তাত্ত্বিক আলোচনা দাঙি ধৰা।

* * *

